ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা দহটাকৈ আয়াত শিকিছিল, আৰু এই দহটা আয়াতৰ পৰা শিকিবলগীয়া জ্ঞানখিনি আহৰণ নকৰালৈকে তথা ইয়াৰ প্ৰতি আমল নকৰালৈকে আন দহটা আয়াত পাঠ হিচাপে লোৱা নাছিল।

আবু আব্দুৰ ৰহমান আচ-ছুলামী ৰাহিমাহুল্লাহে কৈছেঃ চাহাবাসকলৰ মাজৰ যিসকলে আমাক শিকাইছে তেওঁলোকে বৰ্ণনা কৰিছে যে, তেওঁলোকে ৰাছুল চাল্লাল্লাহু আলাইহি
অছাল্লামৰ পৰা দহটাকৈ আয়াত শিকিছিল, আৰু এই দহটা আয়াতৰ পৰা শিকিবলগীয়া জ্ঞানখিনি
আহৰণ নকৰালৈকে তথা ইয়াৰ প্ৰতি আমল নকৰালৈকে আন দহটা আয়াত পাঠ হিচাপে লোৱা নাছিল। তেওঁলোকে কৈছেঃ আমি জ্ঞান আৰু আমল একেলগে শিকিছিলোঁ। [হাছান] [(আহমদ)]

চাহাবাসকলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা কোৰআনৰ দহটাকৈ আয়াত শিকিছিল, আৰু তেওঁলোকে পৰৱৰ্তী আয়াতলৈ তেতিয়ালৈকে আগবঢ়া নাছিল যেতিয়ালৈকে তেওঁলোকে সেই দহটা আয়াতৰ পৰা শিকিবলগীয়া জ্ঞানখিনি আহৰণ কৰা নাছিল তথা তাৰ প্ৰতি আমল কৰা নাছিল। এতেকে তেওঁলোকে ইল্ম আৰু আমল একেলগে শিকিছিল।

https://sunnah.global/hadeeth/as/show/65058